# 2023

## ASSAMESE

( Honours Elective )

Paper : ASM–HE–5016

**( Study of Assamese Folk Literature )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) লোকসাহিত্য বুজাবলৈ 'Verbal Art' অভিধাটো কোনে প্ৰয়োগ কৰিছিল ?

(খ) 'বেলাড' (Ballad) শব্দটোৰ অসমীয়া সমাৰ্থক শব্দ কি ?

(গ) অসমত প্ৰচলিত এবিধ মন্ত্ৰৰ নাম লিখা।

(ঘ) 'অসমৰ জনসাহিত্য' গ্ৰন্থখনৰ ৰচক কোন ?

(ঙ) নিচুকণি গীতবোৰক অন্য কি নামেৰে জনা যায় ?

(চ) আজানপীৰ বা শ্বাহ মিলনৰ নামত প্ৰচলিত গীতসমূহক কি বুলি কোৱা হয় ?

(ছ) 'লালিলাং' কোনটো জনগোষ্ঠীৰ লোকগীত ?

(জ) 'গুমৰাগ' নৃত্যটো কোনটো লোকউৎসৱৰ লগত সম্পৰ্কিত ?

(ঝ) বুৰঞ্জীমূলক মালিতাৰ এটি উদাহৰণ দিয়া ।

(ঞ) সাধুকথাৰ সামাজিক প্ৰকাৰ্য কি ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) লোকসাহিত্য আৰু লিখিত সাহিত্যৰ মাজত থকা দুটা পাৰ্থক্য লিখা ।

(খ) মন্ত্ৰবোৰক কি কি ভাগত ভাগ কৰিব পাৰি ?

(গ) 'ৰং ফাৰপি ৰংবে' কোন জনগোষ্ঠীৰ কি বিষয়ক কাহিনী ?

(ঘ) ভঠেলি অসমৰ কোন অঞ্চলত প্ৰচলিত? ইয়াৰ অন্য নাম কি ?

(ঙ) গোৱালপাৰা অঞ্চলত প্ৰচলিত উৎসৱকেন্দ্ৰিক দুবিধ লোকগীতৰ নাম লিখা ।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অনুষ্ঠানমূলক লোকগীত

(খ) সাধুকথাৰ শ্ৰেণীবিভাজন

(গ) খেল-ধেমালিৰ গীতমাত

(ঘ) জিকিৰ আৰু জাৰী

(ঙ) হাইদাং গীত

(চ) অইনিতম





৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) লোকসাহিত্যৰ সংজ্ঞা নিৰূপণ কৰি ইয়াৰ বৈশিষ্ট্য সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰা ।

(খ) লোকগীত কাক বোলে? ইয়াৰ প্ৰকাৰসমূহৰ বিষয়ে লিখা ।

(গ) 'সাধুকথা লোক মনৰ প্ৰতিছবি'—কথাষাৰৰ আধাৰত যুক্তিযুক্ততা বিচাৰ কৰা ।

(ঘ) অসমত প্ৰচলিত প্ৰবাদ-পটন্তৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰা ।

(ঙ) বেলাড কাক বোলে? ইয়াৰ বৈশিষ্ট্য আৰু শ্ৰেণীবিভাগ সম্পৰ্কে আলোচনা কৰা ।

(চ) বাৰমাহী গীত কাক বোলে? উদাহৰণসহ বুজাই লিখা ।

(ছ) উৎসৱকেন্দ্ৰিক লোকগীত কাক বোলে? অসমীয়া আৰু অসমীয়া নৃগোষ্ঠীয় উপভাষাত ৰচিত এনে গীতৰ উদাহৰণ দি বুজাই লিখা ।

(জ) গোৱালপৰীয়া লোকগীত সম্পৰ্কে লিখা ।

★★★